# অসম বিধান সভা
## লিখিত উত্তৰৰ বাবে প্ৰশ্নসমূহৰ তালিকা
## বৃহস্পতিবাৰ, ৯ জুলাই, ২০২৬

**বিদ্যালয় শিক্ষা, উচ্চ শিক্ষা, জনজাতি পৰিক্ৰমা (ভৈয়াম), তথ্য প্ৰযুক্তি, সাংস্কৃতিক পৰিক্ৰমা, উদ্যোগ বাণিজ্য ও ৰাজহুৱা প্ৰতিষ্ঠান, এক্ট ইষ্ট পলিচি এফিয়াৰচ, খাদ্য, ৰাজহুৱা বিতৰণ ও উপভোক্তা পৰিক্ৰমা, গৃহনিৰ্মাণ আৰু নগৰ পৰিক্ৰমা সমবায়।**

---

**প্ৰশ্নসমূহৰ মুঠ সংখ্যা - ৫০**

*বিষয় ঃ* যোৱা ১০ বছৰত কিমান উদ্যোগ আহিল আৰু কিমান বন্ধ হ'ল।

শ্ৰীঅখিল গগৈ ঃ

১৫১। মাননীয় উদ্যোগ, বাণিজ্য ও ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ৫ বছৰত ৰাজ্যলৈ অহা মুঠ বিনিয়োগৰ ধনৰ পৰিমাণ নিৰ্দ্দিষ্ট উদ্যোগৰ নাম উল্লেখ কৰি সবিশেষ জনাব। লগতে যোৱা ১০ বছৰত অসমৰ ঋণগ্ৰস্ত কিমানটা ৰাজহুৱা প্ৰতিষ্ঠান (PSU) বৰ্তমান বন্ধ হ'ল বা ব্যক্তিগতকৰণৰ পথত আগবাঢ়িছে? কিমানে নতুন নিযুক্তি পালে, কিমানে চাকৰি হেৰুৱালে? থলুৱা অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহক (MSME) গোলকীয় বজাৰৰ সৈতে সংযোগ কৰি জিলা ভিত্তিক 'ৰপ্তানী-মুখী ক্লাষ্টাৰ' গঢ়িবলৈ চৰকাৰৰ সুনিৰ্দ্দিষ্ট আঁচনিবোৰ কি কি ? জনাব।

(খ) জাগীৰোডৰ নিৰ্মীয়মান মেগা 'ছেমিকণ্ডাক্টৰ উদ্যোগ'টোৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ মুঠ কিমান কোটি টকাৰ বিত্তীয় ৰাজসাহাৰ্য্য (Capital Subsidy কে ধৰি) অনুমোদন জনাইছে? এই উদ্যোগৰ পৰা অসমৰ অৰ্থনীতিলৈ কি সুনিৰ্দিষ্ট লাভ বা ৰাজহ (Revenue) আহিব?

(গ) এই ছেমিকণ্ডাক্টৰ প্ৰকল্পটোৰ উচ্চ-প্ৰযুক্তিৰ নিয়োগ প্ৰক্ৰিয়াত আমাৰ থলুৱা অসমীয়া যুৱক-যুৱতীৰ বাবে কিমান শতাংশ নিযুক্তি সুনিশ্চিত কৰা হৈছে, তাৰ বাবে চৰকাৰৰ হাতত কিবা লিখিত চুক্তি বা স্পষ্ট ব্লুপ্ৰিন্ট আছে যদি সদনত দাখিল কৰিব।

*বিষয় ঃ* **শিক্ষা প্রতিষ্ঠানে সরস্বতী পূজা উদযাপন সম্পর্কিত।**

শ্রীকমলাক্ষ দে পুরকায়স্থ ঃ

১৫২। মাননীয় শিক্ষা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) গত বছরে অসমের কোন কোন সরকারি এবং প্রাইভেট শিক্ষাপ্রতিষ্ঠানে সরস্বতী পূজা উদযাপন করা হয়েছে এবং কোন কোন প্রতিষ্ঠানে সরস্বতী পূজা উদযাপনের অনুমতি প্রদান করা হয়নি?

(খ) সরস্বতী পূজা উদযাপনের অনুমতি প্রদান না করার ঘটনা সম্পর্কে সরকার অবগত কি? যদি অবগত হয়ে থাকে, তবে সংশ্লিষ্ট শিক্ষাপ্রতিষ্ঠান গুলির নাম এবং অনুমতি না দেওয়ার কারণ কী?

(গ) শিক্ষাপ্রতিষ্ঠান সমূহে সরস্বতী পূজা উদযাপন সংক্রান্ত বিষয়ে সরকার কি কোনো নির্দেশিকা বা গাইডলাইন জারি করার প্রস্তাব বিবেচনা করেছে?

(ঘ) যেসব প্রতিষ্ঠানের কর্তৃপক্ষ সরস্বতী পূজা উদযাপনের অনুমতি প্রদান করেননি, তাদের বিরুদ্ধে কি কোনো ব্যবস্থা গ্রহণ করা হয়েছে বা ভবিষ্যতে গ্রহণ করার প্রস্তাব রয়েছে কি?

*Sub.*: **Irregularities/Illegalities/ Misappropriation of funds etc.**

Shri SHERMAN ALI AHMED :

153. Will the Minister of Higher Education Department be pleased to state:

(a) Will the Department state since when BB College, Langla is run by in-charge Principal ?

(b) Why regular Principal is not appointed ?

(c) When Chairman of GB was appointed ? Please furnish a copy.

(d) What is his qualification and background ? Is he an educationist ?

(e) Whether university nominees and guardian members are appointed ? If yes, details please.

(f) Is it true that GB meeting is not held regularly ? Please furnish minutes of last three GB meetings indicating whether quorum was maintained.

(g) When audit (Internal and AG) was conducted ? Please furnish audit reports for last five years. Please also furnish details of funds (Government and Internal Revenue) and expenditure details for last five years.

(h) Is it true that quality of the college girls hostel is very poor ? Please furnish a copy of DPR including contact details of executing/supervising authorities.

(i) Whether Ataur Rahman College of Education at Udmari has been approval from concerned authoritites ? If yes, details please.

*বিষয় ঃ* **বিদ্যালয়ত ছাত্র-ছাত্রীৰ মজিয়াৰ স্থান সম্পৰ্কে।**

শ্ৰীআব্দুৰ ৰহিম আহমেদ ঃ

১৫৪। মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শিক্ষাৰ অধিকাৰ আইন মতে প্ৰতি গৰাকী ছাত্ৰ-ছাত্ৰীৰ বাবে নুন্যতম কিমান মজিয়াৰ স্থান (Build-up-Floor Area) থকাটো বাধ্যতামূলক?

(খ) ন্যূনতম মজিয়াৰ স্থান সাপেক্ষে কিমানখন বিদ্যালয়ত শ্ৰেণীকোঠা/ বিদ্যালয় গৃহ আছে আৰু কিমানখনত নাই জিলা ভিত্তিত স্কুলৰ তালিকা দাখিল কৰিব।

(গ) শিক্ষাৰ অধিকাৰ আইনমতে প্ৰয়োজনীয় মজিয়াৰ স্থান (Build-up-Floor Area) নথকা বিদ্যালয়সমূহত অতিৰিক্ত শ্ৰেণীকোঠা বা বিদ্যালয় গৃহ নিৰ্মাণ কৰাৰ বাবে চৰকাৰৰ কোনো বিশেষ পৰিকল্পনা আছে নেকি? যদি আছে, বিতংভাৱে জনাব।

(ঘ) শিক্ষাৰ অধিকাৰ আইনমতে অসমৰ কিমানখন বিদ্যালয়ত (PTR) মতে শিক্ষক-শিক্ষয়িত্ৰী আছে আৰু কিমানখনত নাই? জিলা ভিত্তিত বিদ্যালয়ৰ তালিকা দিব।

*Sub.* : **Infrastrucural Development, Upgradation, New College Under My Udharbond Constituency.**

Shri RAJDEEP GOALA :

155. Will the Minister of Higher Education Department be pleased to state:

Whether the Government is aware that most schools in Udharbond Legislative Assembly Constituency do not maintain the teacher-student ratio as prescribed under Government norms and that the performance of many schools in recent board examinations has not been satisfactory; if so, what measures has the Department taken or proposed to take to ensure that schools maintain the prescribed teacher-student ratio ?

*বিষয় ঃ* **প্ৰকল্প সন্দৰ্ভত**

শ্ৰীওৱাজেদ আলী চৌধুৰী ঃ

১৫৬। মাননীয় এক্ট ইষ্ট পলিচি এফিয়াৰচ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

এক্ট ইষ্ট পলিচি ৰূপায়ণৰ বাবে ২০২১-২২ চনৰ পৰা অসমত কি কি প্ৰকল্পৰ কাম গ্ৰহণ কৰা হৈছে? এই প্ৰকল্পসমূহৰ সাপেক্ষে মঞ্জুৰী কৰা ধনৰ পৰিমাণ আৰু বৰ্তমানৰ অগ্ৰগতিৰ সন্দৰ্ভত বিতং তথ্য দাখিল কৰিব।

*বিষয় ঃ* **শিক্ষক আৰু বিদ্যালয় সন্দৰ্ভত**

শ্ৰীমেহবুব মোক্তাৰ ঃ

১৫৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধিং সমষ্টিৰ অন্তৰ্গত প্ৰাথমিক, মাধ্যমিক, উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহত শিক্ষক পদৰ মুঠ সংখ্যা, বৰ্তমান কৰ্মৰত শিক্ষকৰ সংখ্যা আৰু খালী পদৰ সংখ্যা কিমান?

(খ) ২০২১ চনৰ পৰা সমষ্টিটোৰ বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক নিযুক্তি, শ্ৰেণীকক্ষ, বিজ্ঞানাগাৰ, পুথিভঁৰাল, ছাত্ৰ আৰু ছাত্ৰীৰ বাবে পৃথক শৌচালয়, খেলপথাৰ আদিৰ অভাৱ দূৰ কৰাৰ বাবে চৰকাৰে কি পদক্ষেপ লৈছে?

(গ) সমষ্টিটোৰ কোন কোন বিদ্যালয়ত স্মাৰ্ট ক্লাছ ৰুম স্থাপন কৰা হৈছে আৰু নতুনকৈ কিমানখন বিদ্যালয়ত এই সুবিধা প্ৰদান কৰাৰ পৰিকল্পনা আছে?

(ঘ) ধিং সমষ্টিৰ ডুমডুমীয়া বালিসত্ৰত নিৰ্মিত আদৰ্শ আৱাসিক বিদ্যালয় (Under PMJVK) খন কেতিয়াৰ পৰা আনুষ্ঠানিকভাৱে মুকলি কৰা হ'ব?

(ঙ) সমষ্টিটোৰ বিদ্যালয়সমূহত কম্পিউটাৰ শিক্ষা আৰু ডিজিটেল শিক্ষা সম্প্ৰসাৰণৰ বাবে চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে?

(চ) ২০১৩ চনত প্ৰাদেশিকীকৰণৰ পৰা বাদ পৰা শিক্ষকসকলৰ পৰা যোগ্য বিবেচিত হৈ Eligible Drop Teacher আখ্যা লাভ কৰা

শিক্ষকৰ সংখ্যা অসমত কিমান? সাত বছৰৰ অন্তত এই Eligible Drop Teacher সকলক ২০২১ চনত টিউটৰ হিচাপে নিযুক্তি দিয়া হ'ল যদিওঁ ২০১৩ চনতে নিযুক্তি পোৱা শিক্ষকসকলৰ দৰে একেই মৰ্যাদা, একেই সা-সুবিধা প্ৰদান কৰাৰ বাবে চৰকাৰৰ কি পৰিকল্পনা আছে?

*বিষয় ঃ* প্ৰস্তাৱিত বিদ্যালয়সমূহত মিচিং ভাষা অন্তৰ্ভুক্তি আৰু শিক্ষক নিযুক্তি সন্দৰ্ভত।

শ্ৰীভুৱন গাম ঃ

১৫৮। মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ শিক্ষা বিভাগে গ্ৰহণ কৰা সিদ্ধান্ত অনুযায়ী বিদ্যালয়সমূহত মিচিং ভাষাৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰি বিষয় শিক্ষক নিযুক্তিৰ বিষয়টো কিমান দূৰ কাৰ্য্যকৰী হৈছে জনাব নেকি?

(খ) কিমানখন বিদ্যালয়ত মিচিং ভাষাৰ পাঠ্যক্ৰম আৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে?

(গ) কিমানজন শিক্ষকক এই ক্ষেত্ৰত নিযুক্তি দিয়া হ'ব?

*বিষয় ঃ* আঁচনি সম্পৰ্কে

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

১৫৯। মাননীয় জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগৰ জৰিয়তে যোৱা ৫ বছৰত অসমত কিমান টকাৰ পুঁজি ব্যয় কৰিছে? বিত্তীয় বৰ্ষ হিচাপে পৃথকে পৃথকে তথ্য দিব।

(খ) উক্ত বিভাগৰ জৰিয়তে বৰ্তমান অসমত কি কি আঁচনি চলি আছে? সমষ্টি ভিত্তিত তালিকা দিব।

(গ) আগন্তুক দিনত এই বিভাগে কি কি পৰিকল্পনা গ্ৰহণ কৰিছে? বিতংভাৱে জনাব।

*বিষয় ঃ* বিভাগটোৱে আৰম্ভণিৰ পৰা এতিয়ালৈকে কৰা কাম সম্পৰ্কে।

শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ

১৬০। মাননীয় এক্ট ইষ্ট পলিচি এফিয়াৰচ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এই বিভাগটোৱে আৰম্ভণিৰ পৰা এতিয়ালৈকে কি কি কাম কৰিছে, তাৰ খতিয়ান দাঙি ধৰিব।

(খ) কোনবোৰ বিদেশী ৰাষ্ট্ৰৰ সৈতে অসমৰ অৰ্থনৈতিক, সাংস্কৃতিক, শৈক্ষিক, যোগাযোগ আদি সম্পৰ্ক ভাল কৰিবৰ বাবে কি কি পদক্ষেপ লোৱা হৈছে জনাব।

(গ) অসমৰ পৰা বৰ্তমান কোন দেশলৈ প্ৰত্যক্ষ বিমান সংযোগ আছে আৰু ভৱিষ্যতে কোন কোন দেশলৈ প্ৰত্যক্ষ বিমান সেৱা আৰম্ভ কৰাৰ পৰিকল্পনা আছে? অসমৰ পৰা কোন দেশলৈ, কেতিয়াৰ পৰা প্ৰত্যক্ষ বিমান সেৱা (তাৰিখৰ সৈতে) আৰম্ভ হৈছিল সেই বিষয়ে বিতংকৈ জনাব।

(ঘ) অসমত উড়ান (UDAN) আঁচনি কেতিয়াৰ পৰা কেনেদৰে ৰূপায়ন কৰা হৈছে আৰু VGF ৰ নামত অসম চৰকাৰে এতিয়ালৈকে কিমান টকা ব্যয় কৰিছে বিতংকৈ জনাব।

*Sub.* : **Trade Development of Mankachar Land Port.**

MD. MOHIBUR ROHMAN :

161. Will the Minister of Industries, Commerce and Public Enterprises Department be pleased to state:

(a) What steps has been taken by the Government during the last three years to promote trade, industry and employment generation in South Salmara-Mankachar district ?

(b) What is the present status of trade activities through the Mankachar Land Port ?

(c) Whether the Government has any plan to improve trade and connectivity with Bangladesh through the Mankachar Land Port ? If so, the details thereof.

(d) Kindly state the number of employment opportunities created through trade and commercial activities in the district during the last three years.

*বিষয় ঃ* শ্রীভূমি পৌরসভা সম্পর্কিত

শ্রীজাকারিয়া আহমেদ ঃ

১৬২। মাননীয় গৃহ নির্মাণ ও নগর পরিক্রমা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) শ্রীভূমি পৌরসভা কার্যকালের ২০২১ হইতে আজ পর্যন্ত মোট কত কিলোমিটার ড্রেন নির্মাণ করা হয়েছে, কত টাকা ব্যয় হয়েছে এবং অর্থবর্ষভিত্তিক বরাদ্দ কত ছিল? এবং ওয়ার্ডভিত্তিক কোন কোন এলাকায় কাজ সম্পন্ন হয়েছে?

(খ) প্রতিটি ওয়ার্ডে নর্দমা পরিষ্কার ও সাফাই অভিযানের জন্য কত টাকা বরাদ্দ করা হয়েছে? এই বরাদ্দের অর্থ কোন উৎস থেকে এসেছে, তার বিস্তারিত বিবরণ এবং বাস্তাবায়নের অগ্রগতি কি?

(গ) স্বচ্ছ ভারত মিশনসহ রাস্তা নালা ও সাফাই সংক্রান্ত প্রকল্পে বর্তমান বোর্ডের কার্যকালে মোট কত টাকা বরাদ্দ হয়েছে? কেন্দ্র ও রাজ্য সরকারের পৃথক পৃথক বরাদ্দ কত? এই প্রকল্পগুলিতে মোট কত টাকা ব্যয় হয়েছে?

(ঘ) বর্তমান বোর্ডের কার্যকালের শুরু থেকে আজ পর্যন্ত পৌরসভা মোট কত টাকা রাজস্ব যেমন Holding Tax, Trade License, Building Permission fees ইত্যাদি আদায় করেছে? আদায়কৃত অর্থের মধ্যে কত টাকা সরকারি/পৌর তহবিলে জমা হয়েছে? এবং কোনো ঘাটতি বা অমিল থাকলে তার কারণসহ বিস্তারিত বিবরণ সদনে প্রদান করার অনুরোধ রইলো।

(ঙ) পৌরসভার আয়-ব্যয়ের হিসাব কি নিয়মিতভাবে অডিট করা হয়েছে? যদি হয় তার বিস্তারিত তথ্য সদনে প্রদান করার অনুরোধ রইলো

*Sub.* : **On regards of Science Stream introduced in arts Colleges.**

Shri MAHESWAR BARO :

163. Will the Minister of Education Department be pleased to state:

(a) Whether the Science Stream has been successfully introduced in the provincialised Arts colleges of the State, as per the cabinet decission approved in 2018.

(b) If so, will the Government furnish the list of the total number of Colleges that have been granted financial clearances and administrative approval to start the science stream so far.

(c) The total numbers of teaching & non teaching staff post created and fill up to operationalise these newly introduced science streams.

(d) Will the Government state the current operational status of the Science laboratories and infrastructure development in these specific colleges.

*বিষয় ঃ* **সৰুপথাৰ সমষ্টিৰ অপ্ৰাদেশিকীত বিদ্যালয় সম্পৰ্কত।**

শ্ৰীবিশ্বজিৎ ফুকন ঃ

১৬৪। মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সৰুপথাৰ সমষ্টিত সৰ্বমুঠ কিমানখন বিদ্যালয় আছে?

(খ) ইয়াৰে ভিতৰত কিমানখন প্ৰাদেশিকীকৃত বিদ্যালয় আৰু কিমানখন অপ্ৰাদেশিকৃত বিদ্যালয় আছে?

(গ) এই প্ৰাদেশিকীকৃত বিদ্যালয়সমূহক প্ৰাদেশিকীকৰণ কৰাৰ ক্ষেত্ৰত চৰকাৰৰ কিবা পৰিকল্পনা আছে নেকি?

*বিষয় ঃ* **কৃত্ৰিম বানপানীৰ স্থায়ী সমাধান**

শ্ৰীঅৰূপ কুমাৰ দে ঃ

১৬৫। মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অলপ বৰষুণ দিলেই বিজনী পৌৰসভা এলেকাৰ অন্তৰ্গত বিভিন্ন ৱাৰ্ড তথা চহৰৰ মুখ্য পথসমূহ কৃত্ৰিম বানপানীৰ ফলত জনজীৱন বিপৰ্য্যস্ত হৈ পৰা বিষয়টো চৰকাৰ অৱগতনে?

(খ) বিগত ৫ (পাঁচ) বছৰত বিজনী চহৰৰ নলা-নৰ্দমা নিৰ্মাণ আৰু সংস্কাৰৰ বাবে বিভাগৰ জৰিয়তে কিবা কাম কৰা হৈছিল নেকি? (সবিশেষ তথ্য সদনত দিব।)

(গ) বিজনী চহৰৰ এই কৃত্ৰিম বানপানীৰ স্থায়ী সমাধানৰ বাবে কিবা সু-পৰিকল্পিত আধুনিক আঁচনি চৰকাৰে গ্ৰহণ কৰিব নেকি?

(ঘ) যদি কৰে, কেতিয়ালৈকে কৰিব, জনাবনে?

*বিষয় ঃ* **ভুৱা অনুসূচীত জাতি (SC) প্ৰমাণপত্ৰ**

শ্ৰীপ্ৰকাশ চন্দ্ৰ দাস ঃ

১৬৬। মাননীয় জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিগত ১০ বছৰত ভুৱা অনুসূচীত জাতি (SC) প্ৰমাণপত্ৰৰ অভিযোগত কিমানটা গোচৰ ৰুজু কৰা হৈছে?

(খ) ইয়াৰ ভিতৰত কিমানজন বিষয়া-কৰ্মচাৰী আৰু ব্যক্তি বিশেষ জড়িত? সবিশেষ তথ্য দিব।

(গ) কিমানটা গোচৰ নিষ্পত্তি হৈছে আৰু কিমানটা তদন্তাধীন হৈ আছে?

(ঘ) বিগত দহ বছৰত ভুৱা (SC) প্ৰমাণপত্ৰৰ ভিত্তিত চৰকাৰী চাকৰি অথবা নিৰ্বাচনী সুবিধা গ্ৰহণ কৰাৰ অভিযোগত কিমানজনৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হৈছে?

(ঙ) কিমানজনক চাকৰিৰ পৰা অপসাৰণ বা আইনী ব্যৱস্থাৰ সন্মুখীন কৰা হৈছে?

*বিষয় ঃ* **চাহ বাগিচাৰ আদৰ্শ বিদ্যালয়, তিনিচুকীয়া।**

শ্ৰীপুলক গোহাঁই ঃ

১৬৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) তিনিচুকীয়া বিধান সভা সমষ্টিত ৬ (ছয়) খন "চাহ বাগিচাত আদৰ্শ বিদ্যালয়" নিৰ্মাণ কৰা হৈছে। এখন "চাবিত্ৰী চাহ বাগিচা আদৰ্শ বিদ্যালয়"ৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ হোৱা নাই যদিও পাঠদানৰ কাম-কাজ আৰম্ভ হৈছে। প্ৰতিটো বিষয়ৰ বিপৰীতে এই বিদ্যালয়সমূহলৈ কেতিয়া স্থায়ী ভাৱে শিক্ষক নিযুক্তি দিয়া হ'ব ? এইবিষয়ে জনাব।

(খ) DEEO/BEEO/15ৰ কাৰ্য্যালয় সমূহলৈ হাউচ কিপিং পৰিষ্কাৰ-পৰিচ্ছনতা, মেৰামতি আদিৰ বাবে অতি ন্যূনতম পুঁজিহে মঞ্জুৰ কৰা হয়। এই পুঁজি বৃদ্ধি কৰাৰ অৰ্থে চৰকাৰৰ তৰফৰ পৰা বাজেটত প্ৰস্তাৱ ৰখা হৈছে নেকি? বিতংকৈ জনাব।

*বিষয় ঃ* উদ্যোগ স্থাপনৰ বাবে মাটি অধিগ্ৰহণ

শ্ৰীভূপেন ৰায় ঃ

১৬৮। মাননীয় উদ্যোগ, বাণিজ্য ও ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ব্যক্তিগত খণ্ডৰ নতুন (ক্ষুদ্ৰ) উদ্যোগ স্থাপনৰ বাবে ভূমি অধিগ্ৰহণ কৰা নীতি চৰকাৰৰ আছেনে?

(খ) যদি আছে, এইক্ষেত্ৰত কোন কোন ঠাইত ভূমি অধিগ্ৰহণ কৰিছে অনুগ্ৰহ কৰি জনাবনে?

(গ) বঙাইগাঁও জিলাৰ অভয়াপুৰী সমষ্টিত তেনে ব্যৱস্থা হাতত ল'বনে?

(ঘ) অভয়াপুৰীৰ সৃজনগ্ৰাম ৰাজহ চক্ৰৰ লালমাটি গ্ৰেজিং গাঁৱৰ কিবা মাটি বিভাগে বিচাৰিছে নেকি? অনুগ্ৰহ কৰি জনাবনে?

*বিষয় ঃ* **Upgradation of Schools to Higher Secondary School.**

শ্ৰীকিশোৰ নাথ ঃ

১৬৯। মাননীয় শিক্ষা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) ১১৭ নং বরখলা বিধানসভা সমষ্টির অন্তর্গত বিভিন্ন অঞ্চলে বহু উচ্চ বিদ্যালয় (High School) দীর্ঘদিন ধরে সফলভাবে পরিচালিত হয়ে আসছে। কিন্তু ছাত্র-ছাত্রীদের উচ্চ শিক্ষার সুযোগ সম্প্রসারণের লক্ষ্যে এসব বিদ্যালয়কে উচ্চ মাধ্যমিক বিদ্যালয়ে (Higher Secondary School) উন্নীত করার জন্য সরকার কি কোনো পদক্ষেপ গ্রহণ করেছেন ?

(খ) গত পাঁচ বছরে বরখলা সমষ্টির কতগুলি উচ্চ বিদ্যালয়কে উচ্চ মাধ্যমিক বিদ্যালয়ে উন্নীত করা হয়েছে?

(গ) বর্তমানে বরখলা সমষ্টির কোন কোন উচ্চ বিদ্যালয় উন্নীতকরণের অপেক্ষায় রয়েছে?

(ঘ) ছাত্র-ছাত্রীদের শিক্ষার স্বার্থে ১১৭ নং বরখলা এলাকার যোগ্য উচ্চ বিদ্যালয়গুলিকে উচ্চ মাধ্যমিক বিদ্যালয়ে উন্নীত করার জন্য সরকার কী পদক্ষেপ গ্রহণ করেছেন?

(ঙ) এ বিষয়ে কোনো নির্দিষ্ট সময়সীমা নির্ধারণ করা হয়েছে কি?

*বিষয় ঃ* **শিল্প আৰু সৰ্থেবাৰীৰ কুটীৰ শিল্পৰ সংৰক্ষণ, পুনৰুজ্জীৱন বিকাশ সন্দৰ্ভত।**

শ্ৰীদীপক কুমাৰ দাস ঃ

১৭০। মাননীয় উদ্যোগ, বাণিজ্য ও ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা (SC) সমষ্টিৰ বহৰি অঞ্চলৰ ঐতিহ্যবাহী মৰাপাট উদ্যোগৰ সংৰক্ষণ, পুনৰুজ্জীৱন আৰু বিকাশৰ বাবে চৰকাৰে কোনো বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে নেকি? যদি কৰিছে, কেনেধৰণৰ জনাব।

(খ) তাঁতীকুছিক "বৃন্দাবনী বয়ন নগৰী" হিচাপে গঢ়ি তোলাৰ বাবে চৰকাৰে কোনো বিশেষ পৰিকল্পনা গ্ৰহণ কৰিছে নেকি? যদিহে কৰিছে, কেনে ধৰণৰ জনাব।

(গ) কাঁহ-পিতল শিল্পীসকলৰ গঢ়শালাসমূহ আধুনিক প্ৰযুক্তিৰে উন্নীত কৰাৰ বাবে চৰকাৰে কোনো বিশেষ আঁচনি গ্ৰহণ কৰিছে নেকি? যদি কৰিছে, জনাব।

*বিষয় ঃ* **ডিগবৈ তেল শোধানাগাৰ তেল শোধনৰ ক্ষমতা বৃদ্ধিৰ সম্পৰ্কে।**

শ্ৰীসুৰেণ ফুকন ঃ

১৭১। মাননীয় উদ্যোগ, বাণিজ্য ও ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এচিয়াৰ ভিতৰতে প্ৰথম তেল শোধানাগাৰ ডিগবৈ তেল শোধানাগাৰৰ শোধন ক্ষমতা ০.৬৫ মিলিয়ন মেট্ৰিক টনৰ পৰা ১ মিলিয়ন মেট্ৰিক টনলৈ শোধানাগাৰটোৰ ক্ষমতা বৃদ্ধিৰ বাবে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে কি কি পদক্ষেপ লৈছে আৰু কিমান দিনৰ ভিতৰত শোধন ক্ষমতা সম্পূৰ্ণ বৃদ্ধিৰ সময় নিৰ্ধাৰণ কৰিছে?

(খ) শোধানাগাৰটোৰ অধীনত থকা অব্যৱহৃত ভূমিৰ পৰিমাণ জনাব নেকি? এই ভূমিক উদ্যোগ বিভাগে আনুসাংগিক উদ্যোগ নিৰ্মাণৰ বাবে কিবা পৰিকল্পনা হাতত লৈছে নেকি?

*বিষয় ঃ* **প্ৰাথমিক বিদ্যালয়ৰ জৰাজীৰ্ণ অৱস্থাৰ সন্দৰ্ভত।**

শ্ৰীপৃথ্বিৰাজ ৰাভা ঃ

১৭২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান তেজপুৰ সমষ্টিৰ অন্তৰ্গত কিমান কেইখন প্ৰাথমিক বিদ্যালয় সক্ৰিয় হৈ আছে?

(খ) তেজপুৰ সমষ্টিৰ অন্তৰ্গত বহু প্ৰাথমিক বিদ্যালয়ৰ গৃহ জৰাজীৰ্ণ অৱস্থাত আছে তেনে জৰাজীৰ্ণ প্ৰাথমিক বিদ্যালয় সমূহৰ লগতে অন্যান্য যাৱতীয় আন্তঃগাঁথনি উন্নীতকৰণৰ বাবে বিভাগে কিবা ব্যৱস্থা গ্ৰহণ কৰিব নে?

(গ) ছাত্ৰ-ছাত্ৰী অনুপাতে কিছুমান বিদ্যালয়ত শিক্ষকৰ সংখ্যা বেছি আৰু কিছুমানত কম। তেনে বিদ্যালয় সমূহত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা চাই সমানুপাতে শিক্ষক শিক্ষয়িত্ৰী দিব পৰা যায় নে?

*বিষয় ঃ* **মহাবিদ্যালয়ত শ্ৰেণীকক্ষ নিৰ্মাণ আৰু খালী থকা অধ্যাপকৰ পদ পূৰণ সন্দৰ্ভত।**

শ্ৰীধৰ্মেশ্বৰ কোঁৱৰ ঃ

১৭৩। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাষ্ট্ৰীয় শিক্ষা নীতি (NEP)-২০২০ অনুসৰি চাৰিবছৰীয়া স্নাতক পাঠ্যক্ৰম প্ৰৱৰ্তনৰ ফলত সৃষ্টি হোৱা শ্ৰেণীকক্ষৰ অভাৱ দূৰ কৰিবলৈ সোণাৰি মহাবিদ্যালয়ত নতুন শ্ৰেণীকক্ষ নিৰ্মাণৰ কোনো পৰিকল্পনা কৰিছে নেকি?

(খ) সোণাৰি মহাবিদ্যালয়ত আজিলৈকে ভূগোল আৰু সমাজতত্ব বিভাগ আৰম্ভ নোহোৱাৰ পৰিপ্ৰেক্ষিতত উক্ত দুয়োটা বিভাগ খোলাৰ বাবে চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

(গ) ছাত্ৰ-ছাত্ৰীৰ সংখ্যা যথেষ্ট বৃদ্ধি হোৱাৰ ফলত বিভিন্ন বিভাগত অতিৰিক্ত শিক্ষকৰ প্ৰয়োজনীয়তা দেখা দিয়াৰ প্ৰেক্ষাপটত প্ৰতিটো বিভাগত অতিৰিক্ত শিক্ষক নিযুক্তিৰ বাবে চৰকাৰে কোনো পদক্ষেপ গ্ৰহণ কৰিছে নেকি?

(ঘ) পদাৰ্থ বিজ্ঞান বিভাগৰ ২টা, ৰসায়ন বিজ্ঞান বিভাগৰ ২ টা, ইংৰাজী বিভাগৰ ১ টা, প্ৰাণীবিজ্ঞান বিভাগৰ ১ টা, অৰ্থনীতি বিভাগৰ ১ টা আৰু গণিত বিভাগৰ ১ টাকৈ মুঠ ৮ টা খালী অধ্যাপকৰ পদ কেতিয়ালৈ পূৰণ কৰা হ'ব?

*Sub.* : **Fair Price Shop Licence-reg**

Shri VIJAY KR. GUPTA :

174. Will the Minister of Food, Public Distribution and Consumer Affairs Department be pleased to state :

(a) Will the Govt. furnish details regarding any Fair Price Shop Licence

which is in a state of defunct caused due to Death/Surrendered/Cancellation in Kamrup Metro District within Guwahati City Habitation ?

(b) If so, would you kindly provide the location of such F.P. Licence Shop with particulars in the floor of the Assembly ?

(c) Whether the Department has any proposal for newly sanctioning of F.P. Shop Licence in the state as Ration Card holders are presently increasing in a large extent then earlier ?

(d) Whether a fixed allowance will be considered for all the Fair Price Shop Licence holder to avoid disparity of present commission being received by them ?

*বিষয় ঃ* **সমবায় সমিতি**

ডা° আচিফ মঃ নাজাৰ ঃ

১৭৫। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ৰাজ্যত বৰ্তমান কিমান সমবায় সমিতি নিস্ক্ৰিয় হৈ আছে? সেই সমূহ পুনৰ সক্ৰিয় কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

*বিষয় ঃ* **ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আৰু সমৰ্থন মূল্য**

শ্ৰীমেহবুব মোক্তাৰ ঃ

১৭৬। মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ ও উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধিং সমষ্টিত বৰ্তমানলৈকে কিমান সংখ্যক দৰিদ্ৰ পৰিয়ালে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ (NFSA) অধীনত সুলভ মূল্যৰ ৰেচন কাৰ্ড লাভ কৰিছে? চৰকাৰৰ তৰফৰ পৰা নতুন হিতাধীকাৰী অন্তৰ্ভুক্ত কৰাৰ বাবে কিবা পৰিকল্পনা কৰা হৈছে নেকি? যদি হৈছে, বঞ্চিত পৰিয়াল সমূহে কেতিয়ালৈ এই কাৰ্ড লাভ কৰিবলৈ সক্ষম হ'ব?

(খ) চৰকাৰে নিৰ্ধাৰণ কৰা ন্যূনতম সমৰ্থন মূল্য (MSP)ত কৃষকৰ পৰা ধান ক্ৰয় কৰিবলৈ ধিং সমষ্টিত ধান ক্ৰয় কেন্দ্ৰ (PPC) কেইটা আছে? এই কেন্দ্ৰসমূহৰ জৰিয়তে বৰ্তমান ধান ক্ৰয় কৰা হৈছেনে? যদি ক্ৰয় কৰা নাই, কেতিয়াৰ পৰা কৰিব?

*বিষয় ঃ* **অসমৰ নগৰ আৱাস গৃহ আৰু কৃত্ৰিম বানপানী বোধৰ সম্পৰ্কে।**

মোঃ আশ্ৰাফুল ইছলাম শেখ ঃ

১৭৭। মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিগত তিনি বছৰত ৫ নং পৰ্বতঝোৰা সমষ্টিত নগৰীয়া দৰিদ্ৰ পৰিয়াল সমূহৰ বাবে কিমানটা আৱাসগৃহ মঞ্জুৰ কৰা হৈছে? তথ্য সহকাৰে জনাব।

(খ) অসমৰ প্ৰধান চহৰ আৰু পৌৰসভা অঞ্চল সমূহত কৃত্ৰিম বানপানী প্ৰতিৰোধ কৰিবলৈ চৰকাৰে কি কি বিশেষ অভিলাষী আঁচনি গ্ৰহণ কৰিছে? তথ্য সহকাৰে জনাব।

*বিষয় ঃ* **জুবিন গাৰ্গৰ স্মৃতিত সাংস্কৃতিক কেন্দ্ৰ স্থাপন সম্পৰ্কে।**

শ্ৰীমতী বেবী বেগম ঃ

১৭৮। মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ স্মৃতি যুগমীয়া কৰিবলৈ ৰাজ্য চৰকাৰে কি কি পদক্ষেপ গ্ৰহণ কৰিছে? তথ্যসহ দাখিল কৰিব।

(খ) জুবিন গাৰ্গৰ স্মৃতিত অসমৰ প্ৰতিটো বিধানসভা সমষ্টিত একোটাকৈ উন্নতমানৰ অত্যাধুনিক প্ৰেক্ষাগৃহসহ, সাংস্কৃতিক কেন্দ্ৰ স্থাপন কৰাৰ বিষয়ে চৰকাৰে বিবেচনা কৰিব নে? উক্ত সাংস্কৃতিক কেন্দ্ৰত নিয়মীয়াকৈ সংগীত, নৃত্য, নাটক আৰু আনুসংগিক পাঠ্যক্ৰমৰ বিনামূলীয়া শিক্ষা প্ৰদানৰ বিশেষ পদক্ষেপ গ্ৰহণৰ বিষয়ে ৰাজ্য চৰকাৰে বিবেচনা কৰিব নেকি?

(গ) অসমৰ জাতি-জনগোষ্ঠীয় সাংস্কৃতিক উৎকৰ্ষ আৰু বিকাশৰ জৰিয়তেই জুবিন গাৰ্গৰ স্মৃতি যুগমীয়া হ'ব বুলি চৰকাৰে বিবেচনা নকৰে নে? যদি কৰে জাতি-জনগোষ্ঠীয় সাংস্কৃতিক বিকাশ আৰু প্ৰসাৰৰ বাবে চৰকাৰে বিশেষ পদক্ষেপ গ্ৰহণ কৰিব নে? (বিস্তৃত তথ্যসহ দাখিল কৰিব)

*বিষয় ঃ* **উচ্চ শিক্ষাৰ সংকট**

মোঃ নুৰুল ইছলাম ঃ

১৭৯। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ উচ্চ শিক্ষা খণ্ডত মাচুল বৃদ্ধি আৰু প্ৰজ্ঞান ভাৰতী আঁচনি বন্ধ কৰাৰ ফলত একাংশ ছাত্ৰ-ছাত্ৰী শিক্ষা গ্ৰহণত সন্মুখীন হোৱা সমস্যাৰ বিষয়ে চৰকাৰ অৱগত নে? (বিস্তৃত তথ্যসহ দিব)

(খ) অসমত বৰ্তমান কিমানখন বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয় আছে? উক্ত মহাবিদ্যালয়, বিশ্ববিদ্যালয় সমূহত কি কি বিভাগ আছে? উক্ত বিভাগবোৰত অনুমোদিত পদৰ সংখ্যাৰ বিপৰীতে বৰ্তমান কৰ্মৰত অধ্যাপক, সহকাৰী অধ্যাপক, সহযোগী অধ্যাপকৰ বিপৰীতে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কিমান? বিস্তৃত তথ্য পৃথকে পৃথকে দাখিল কৰিব।

(গ) অসমৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহত থকা বিভাগবোৰৰ বিপৰীতে চলিত বৰ্ষত কোনটো পাঠ্যক্ৰমত কিমান মাচুল নিৰ্ধাৰণ কৰা হৈছে? বিগত বৰ্ষত এই মাচুলৰ পৰিমান কিমান আছিল? বিস্তৃত তথ্যসহ দিব।

(ঘ) শিক্ষকৰ অভাৱত গুৱাহাটী বিশ্ববিদ্যালয় আৰু কটন বিশ্ববিদ্যালয়ৰ একাংশ পাঠ্যক্ৰমত নামভৰ্তি প্ৰক্ৰিয়া বন্ধ কৰিবলৈ দিয়াৰ বিষয়ে চৰকাৰ অৱগত নে? এই সংকট মোকবিলা কৰিবলৈ কি কি পদক্ষেপ গ্ৰহণ কৰা হৈছে? (বিস্তৃত তথ্য সহ দাখিল কৰিব)

(ঙ) স্নাতকোত্তৰ পৰ্য্যায়লৈ বিনামূলীয়া নামভৰ্তি আৰু শিক্ষা দান নিশ্চিত কৰিবলৈ চৰকাৰে বিশেষ পদক্ষেপ গ্ৰহণ কৰিব নে? (বিস্তৃত তথ্য সহ দিব)

(চ) উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানত খালী পদসমূহ কিমান দিনৰ ভিতৰত পূৰণ কৰিব? (বিস্তৃত তথ্য সহ দিব)

*বিষয় ঃ* **ৰাজ্যত উচ্চ শিক্ষানুষ্ঠানত শিক্ষক, শ্ৰেণী কক্ষ, পৰীক্ষাগাৰ আৰু আন্তঃগাঁথনিৰ অভাৱ।**

ড° জয় প্ৰকাশ দাস ঃ

১৮০। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যৰ কিমানখন উচ্চ শিক্ষানুষ্ঠানত শিক্ষক, শ্ৰেণীকক্ষ, পৰীক্ষাগাৰ আৰু অন্যান্য আন্তঃগাঁথনিৰ অভাৱ আছে?

(খ) উক্ত অভাৱ সমূহৰ মাজতো National Education Policy 2020ৰ চাৰিবছৰীয়া স্নাতক পাঠ্যক্ৰম ৰূপায়ণত কি কি সমস্যাৰ সন্মুখীন হৈছে?

(গ) আন্তঃগাঁথনি আৰু উপযুক্ত দক্ষতা থকা শিক্ষকৰ অভাৱৰ বাবে কিমানখন শিক্ষানুষ্ঠানত

ছাত্ৰ-ছাত্ৰীক তিনি বছৰতে স্নাতক পাঠ্যক্ৰম সম্পূৰ্ণ কৰিবলৈ কোৱা হৈছে বা বেলেগ শিক্ষানুষ্ঠানলৈ যাবলৈ বাধ্য কৰা হৈছে?

(ঘ) এই সন্দৰ্ভত ছাত্ৰ-ছাত্ৰীৰ পৰা চৰকাৰলৈ কিমান অভিযোগ লাভ হৈছে?

(ঙ) ছাত্ৰ-ছাত্ৰীৰ উচ্চ শিক্ষাৰ ভৱিষ্যৎ সুৰক্ষিত কৰাৰ বাবে চৰকাৰে কি কি পদক্ষেপ গ্ৰহণ কৰিছে?

*Sub.* : **PMGKY**

M. BADRUDDIN AJMAL :

181. Will the Minister of Food, Public Distribution & Consumer Affairs Department be pleased to state :

(a) Will the Government furnish the details of the quantity of food grains received so far by the state authorities of Assam under the 'Pradhan Mantri Garib Kalyan Yojana' (PMGKY).

(b) Whether there is any arrangement for sharing costs proportionately between the Central Government and the State Government under the 'Pradhan Mantri Garib Kalyan Yojana', and if so, the details thereof.

(c) Kindly furnish list of the total number of beneficiary families or individuals who are availing PMGKY across the state (district-wise).

(d) Whether the Government has taken any steps to supply food grains at affordable prices to the general public, particularly to the weaker sections of society and if so, the details thereof?

*বিষয় ঃ* **শিক্ষানুষ্ঠানৰ শিক্ষক কৰ্মচাৰী সম্পৰ্কে**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

১৮২। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পাকা বেতবাৰী সমষ্টিত উচ্চ শিক্ষা বিভাগৰ অধীনত কোন কোন শিক্ষানুষ্ঠান আছে তাৰ তালিকা দিব। প্ৰতিটো শিক্ষানুষ্ঠানত কোন কোন শ্ৰেণী কিমান ছাত্ৰ-ছাত্ৰী আছে তাৰ সংখ্যা আৰু প্ৰতিটো শিক্ষানুষ্ঠানত শিক্ষক কৰ্মচাৰীৰ সংখ্যা দিব।

(খ) উক্ত সমষ্টিত কোন কোন শিক্ষানুষ্ঠানত কিমান খালী পদ আছে? তালিকা দিব। এই খালী পদ সমূহ কেতিয়া চৰকাৰে পূৰণ কৰিব? জনাব।

(গ) বিভাগটোৰ কোন কোন স্কুলৰ আন্তঃগাঁথনি উন্নত, তাৰ তালিকা দিব। অনুন্নত আন্তঃগাঁথনি থকা শিক্ষানুষ্ঠানৰ আন্তঃগাঁথনি উন্নয়ন কৰাৰ বাবে চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে? সবিশেষ জনাব।

(ঘ) পাকা বেতবাৰী সমষ্টিৰ প্ৰাদেশিকীকৰণৰ পৰা বঞ্চিত হৈ থকা শিক্ষানুষ্ঠানৰ তালিকাৰ লগতে এই সমূহ বিদ্যালয় চৰকাৰে কেতিয়া প্ৰাদেশিকীকৰণ কৰিব? জনাব।

(ঙ) বহু শিক্ষানুষ্ঠানৰ কেইটামানকৈ পদ প্ৰাদেশিকীকৰণ কৰা হৈছে আৰু তেনেকুৱা বিদ্যালয়ত বহু কেইটাকৈ পদ এতিয়ালৈ প্ৰাদেশিকীকৰণ কৰা হোৱা নাই। প্ৰাদেশিকীকৰণৰ পৰা বঞ্চিত হৈ থকা সকলক চৰকাৰে কেতিয়া প্ৰাদেশিকীকৰণ কৰিব? জনাব।

(চ) উক্ত সমষ্টিৰ কোন কোন শিক্ষানুষ্ঠানত কোনে কোনে টিউটৰ হিচাপে নিযুক্তি লাভ কৰিছিল তাৰ তালিকা দিব। এইসকল টিউটৰৰ

কোনে কোনে নিয়মীয়া নিযুক্তি লাভ কৰিছে? যদি নিয়মীয়া হোৱা নাই, কি কাৰণত হোৱা নাই? কাৰণ জনাব।

(ছ) টিউটৰসকলৰ চাকৰি কেতিয়া প্ৰাদেশিকীকৰণ কৰা হ'ব? জনাব।

*বিষয় ঃ* **পলাশবাৰী সমষ্টিত লোক সাংস্কৃতিক সংগ্ৰহালয় নিৰ্মাণ সম্পৰ্কে।**

শ্ৰীহিমাংশু শেখৰ বৈশ্য ঃ

১৮৩। মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

লোক সংস্কৃতিৰ ক্ষেত্ৰত দক্ষিণ কামৰূপ অঞ্চল অতি চহকী। দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিত এই লোক সংস্কৃতি বহু সমল সংৰক্ষণ কৰিবলৈ এটা সংগ্ৰহালয় নিৰ্মাণৰ ব্যৱস্থা কৰিব নেকি?

*বিষয় ঃ* **PM. POSHAN আঁচনি**

শ্ৰীনুৰুল হুদা ঃ

১৮৪। মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিদ্যালয় সমূহৰ ছাত্ৰ-ছাত্ৰী সকলক দুপৰীয়াৰ আহাৰ প্ৰদানৰ উদ্দেশ্যে ৰূপায়িত PM. POSHAN আঁচনি অসমৰ সকলো চৰকাৰী, প্ৰাদেশীকৃত আৰু যোগ্য বিদ্যালয়ত কাৰ্য্যকৰী কৰা হৈছেনে? যদি হৈছে, তেন্তে জিলা ভিত্তিকভাৱে PM. POSHAN আঁচনিৰ অন্তৰ্ভুক্ত বিদ্যালয়সমূহৰ সংখ্যাৰ তালিকা সদনত দাখিল কৰিব।

(খ) PM. POSHAN আঁচনিৰ অধীনত ছাত্ৰ-ছাত্ৰীসকলক কি কি খাদ্য সামগ্ৰী যোগান ধৰা হয়? লগতে প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে খাদ্য সামগ্ৰীৰ বাবদ কিমানকৈ ধন আৱণ্টন কৰা হয়, তাৰ বিতং বিৱৰণ সদনত জনাব।

(গ) PM. POSHAN আঁচনিৰ খাদ্য ৰন্ধা আৰু পৰিবেশন কাৰ্য্যৰ লগত জড়িত ৰন্ধনকৰ্মী (Cook-cum-Helper) সকলক পাৰিতোষিক প্ৰদান কৰা হয়নে? যদি হয়, তেন্তে প্ৰতিমাহে কিমানকৈ পাৰিতোষিক প্ৰদান কৰা হয়? তাৰ তথ্য সদনত জনাব।

*বিষয় ঃ* **অতিৰিক্ত শ্ৰেণীকোঠা নিৰ্মাণ সম্পৰ্কে**

শ্ৰীআফতাব উদ্দিন মোল্লা ঃ

১৮৫। মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নৱগঠিত জলেশ্বৰ সমষ্টিত থকা L.P. School বা M.E. School বোৰত আজিলৈকে পৰ্যাপ্ত পৰিমানৰ শ্ৰেণীকোঠা নিৰ্মাণ হোৱা নাই, ছাত্ৰ-ছাত্ৰী অনুপাতে বা শ্ৰেণী অনুপাতে কোঠা নিৰ্মাণ নোহোৱাত একেখন কোঠাতেই দুই তিনিটা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে পাঠদান ল'বলগীয়া হৈছে। এই বিষয়ে চৰকাৰ অৱগত নে?

(খ) যদি অৱগত, ইয়াৰ স্থায়ী সমাধানৰ ব্যৱস্থা কেতিয়া কৰি দিয়া হ'ব? তথ্য সহকাৰে জনাব।

*বিষয় ঃ* **বিভাগটোৱে লোৱা উন্নয়নমূলক কাম-কাজৰ খতিয়ান সম্পৰ্কে।**

শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ

১৮৬। মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গুৱাহাটীত চৰকাৰী পানী যোগান প্ৰকল্প ক'ত ক'ত আছে? তাৰ তালিকা দিব। এই

প্ৰকল্পসমূহ কোনে পৰিচালনা কৰি আছে, কোনটো প্ৰকল্পত কিমান টকা ব্যয় হৈছে, কিমান পৰিয়ালক নিয়মীয়াকৈ পানী যোগান ধৰা হয় তাৰ তথ্য দাখিল কৰিব।

(খ) গুৱাহাটীত নিৰ্মাণ সম্পূৰ্ণ নোহোৱাকৈ থকা পানী যোগান প্ৰকল্পৰ তালিকা দাখিল কৰিব। এই প্ৰকল্প সমূহৰ কাম কেতিয়া আৰম্ভ হৈছিল, কিমান টকা ব্যয় হ'ব আৰু কেতিয়া শেষ কৰাৰ পৰিকল্পনা কৰা হৈছিল সেই বিষয়ে বিতংকৈ জনাব।

(গ) গুৱাহাটী জাইকা (JICA) সাহাৰ্য্যপ্ৰাপ্ত পানী যোগান প্ৰকল্পৰ কাম চলি আছে নেকি বা কাম সম্পূৰ্ণ হৈছে নেকি? এই প্ৰকল্পৰ ব্যয় কিমান, কেতিয়াৰ পৰা কাম আৰম্ভ হৈছিল, কিমান পৰিয়াল উপকৃত হৈছে বা উপকৃত হ'ব সেই বিষয়ে বিতংকৈ জনাব।

(ঘ) গুৱাহাটীত জাইকা সাহাৰ্য্য আৰু অন্য প্ৰকল্পৰ কাম চলি আছে নেকি বিতংকৈ জনাব।

(ঙ) সমীক্ষা অনুসৰি গুৱাহাটীত কিমান পৰিয়ালত পানীৰ সংযোগৰ প্ৰয়োজন। এতিয়ালৈ চৰকাৰে কিমান পৰিয়ালক পানী যোগান ধৰিবলৈ সক্ষম হৈছে?

(চ) স্মাৰ্ট চিটি প্ৰকল্পৰ অধীনত ২০১৬ চনৰ পৰা গুৱাহাটীকে ধৰি অসমৰ অন্যান্য চহৰত কি কি আঁচনি লোৱা হৈছে, কিমান আঁচনি ৰূপায়ণ কৰা হৈছে, কোনখন আঁচনিত কিমান টকা ব্যয় হৈছে বিতংকৈ জনাব।

*Sub.* : **Ration Card Coverage and Inclusion of Eligible Beneficiaries.**

Md. MOHIBUR ROHMAN :

187. Will the Minister of Food, Public Distribution and Consumer Affairs Department be pleased to state :

(a) The total number of ration card holders and beneficiaries currently covered under the Public Distribution System in Assam (district-wise).

(b) The number of eligible persons/families who have applied for ration cards but are yet to be covered under the PDS (district-wise).

(c) Whether the Government has any plan to provide ration cards to all remaining eligible beneficiaries; if so, the details and timeline thereof.

(d) The number of new ration cards issued in South Salmara-Mankachar district during the last three years.

*বিষয় ঃ* **আঁচনি, অনুমোদিত ধন**

শ্ৰীমজিবুৰ ৰহমান ঃ

১৮৮। মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দৰং জিলাত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ দ্বাৰা ২০২১ বিত্তীয় বৰ্ষৰ পৰা ২০২৫-২৬ বিত্তীয় বৰ্ষত কিমান টকা মঞ্জুৰী দিয়া হৈছে? কি কি আঁচনিৰ বিপৰীতে কিমান টকা খৰছ কৰা হৈছে? (বিতং তথ্য সদনৰ মজিয়াত দাখিল কৰিব)

(খ) উপৰোক্ত বিত্তীয়বৰ্ষ কেইটাত ৫১ নং দলগাঁও সমষ্টিত কোন কোন ঠাইত, কি কি আঁচনি ৰূপায়ণ কৰা হৈছে? ঠাই আৰু আঁচনিৰ বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

*বিষয় ঃ* বাওখুংগ্ৰী LACত শিক্ষক পদ পূৰণ আৰু School Infrastructure শক্তিশালীকৰণ।

শ্ৰীৰূপম চন্দ্ৰ ৰয় ঃ

১৮৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বাওখুংগ্ৰী LACৰ LP, ME, High School আৰু Higher Secondary School সমূহত শিক্ষাৰ মান অধিক উন্নত কৰাৰ উদ্দেশ্যে শিক্ষক পদ সমূহ পৰ্য্যায়ক্ৰমে পূৰণ, Digital Learning Facility, Laboratory, Library, Toilet, Drinking Water আৰু অন্যান্য School Infrastructure অধিক শক্তিশালী কৰাৰ বাবে কি কি পদক্ষেপ গ্ৰহণ কৰা হৈছে?

(খ) বাওখুংগ্ৰী LACৰ বিদ্যালয় সমূহক অগ্ৰাধিকাৰ ভিত্তিত অন্তৰ্ভুক্ত কৰাৰ কোনো পৰিকল্পনা আছে নেকি?

(গ) Smart Classroom আৰু Digital Education Facility সম্প্ৰসাৰণ কৰাৰ কোনো ব্যৱস্থা আছে নেকি?

*বিষয় ঃ* বিষয় ভিত্তিক শিক্ষকৰ খালী পদৰ সংখ্যা

ড° তপন দাস ঃ

১৯০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিমৰীয়া সমষ্টিৰ চৰকাৰী বিদ্যালয়সমূহত বিষয়ভিত্তিক শিক্ষক পদৰ খালী সংখ্যা কিমান?

(খ) বিদ্যালয়সমূহত স্মাৰ্ট ক্লাছৰুম আৰু ডিজিটেল শিক্ষাৰ সুবিধা সম্প্ৰসাৰণৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

(গ) জৰাজীৰ্ণ বিদ্যালয় ভৱন পুনৰ নিৰ্মাণ, বাউণ্ডাৰী ৱাল, বিশুদ্ধ খোৱাপানীৰ বাবে কি আঁচনি আছে? (বিতংকৈ জনাব)।

*বিষয় ঃ* উদ্যোগ, বাণিজ্য ও ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ সম্পৰ্কে

আবুল কালাম ৰশিদ আলম ঃ

১৯১। মাননীয় উদ্যোগ, বাণিজ্য ও ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) Matia (Mornai) Growth Industrial Centre, Goalpara, ৰ নামত কিমান ভূমি আৱণ্টন (Land Allotment) দিয়া হৈছে, ইয়াত কিমানটা Industry চলি আছে আৰু কিমানটা বাকী আছে? এই Industry সমূহৰ নাম, তথ্য আৰু তালিকা সহকাৰে জনাব। চৰকাৰৰ লগত হোৱা চুক্তিমৰ্মে কাম কৰিছে নে ভঙ্গ কৰিছে? যদি ভঙ্গ কৰিছে সেই Industry সমূহৰ বিৰুদ্ধে কিবা ব্যৱস্থা ল'বনে? যদি নলয় কিয়? চৰকাৰ আৰু Industry ৰ হোৱাৰ চুক্তিৰ কপিসহ তথ্য সহকাৰে জনাব।

(খ) গোৱালপাৰা জিলাৰ মাটিয়া (মৰনৈ) উদ্যোগিক বিকাশ কেন্দ্ৰত থকা Kahinoor Pulm and Paper Mills ৰ কাম কেতিয়াৰ পৰা আৰম্ভ হৈছিল আৰু কেতিয়া শেষ হোৱাৰ কথা আছিল তথ্য সহকাৰে জনাব।

(গ) Kahinoor Pulm and Paper Mills ৰ নামত আৱণ্টন দিয়া ভূমিখিনি বেলেগ কোম্পানীৰ নামত আৱণ্টন দিয়া হৈছে নেকি? যদি হৈছে সেই কোম্পানী আৰু চৰকাৰৰ লগত হোৱা চুক্তিৰ প্ৰতিলিপি সদনত তথ্য সহকাৰে জনাব?

(ঘ) এই উদ্যোগসমূহ নিৰ্মাণ কৰাত স্থানীয় শ্ৰমিক, ঠিকাদাৰ আৰু প্ৰতিষ্ঠানক নিয়োগ কৰাৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা কৰিব নেকি? তথ্য সহকাৰে জনাব।

(ঙ) এই উদ্যোগসমূহ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ হোৱা বা চলি থকা বিভিন্ন Raw materials যোগান দিয়াৰ কাৰণে স্থানীয় ব্যক্তি বা প্ৰতিষ্ঠানক নিয়োগ কৰা নাযাব নেকি? তথ্য সহকাৰে জনাব।

*বিষয় ঃ* **উচ্চ মাধ্যমিকৰ পৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নতকৰণ সন্দৰ্ভত।**

শ্ৰীচক্ৰধৰ গগৈ ঃ

১৯২। মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ২০২১-২৬ বৰ্ষৰ অসমত চৰকাৰৰ পাঁচ বছৰীয়া কাৰ্য্যকালত অসমত কিমানখন উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰলৈ উন্নীত কৰা হ'ল? তাৰেই কিমান খন ডিব্ৰুগড় জিলাত কৰা হ'ল? সংখ্যা আৰু নাম তালিকা দিব।

(খ) এই বৰ্ষত গঠন হোৱা নতুন চৰকাৰে অসমত নতুনকৈ উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিকলৈ উন্নীতকৰণৰ কিবা পৰিকল্পনা হাতত আছেনে? যদি আছে, খোৱাং সমষ্টিত এতিয়া উন্নীত হবলৈ বৈ যোৱা উচ্চ মাধ্যমিক বিদ্যালয়সমূহ উচ্চতৰলৈ উন্নীত হ'বনে?

(গ) উচ্চতৰলৈ উন্নীত হোৱা বিদ্যালয় সমূহত দেখা দিয়া শিক্ষকৰ অভাৱ কেতিয়া দূৰ হ'ব?

*বিষয় ঃ* **সোনাই মিউনিসিপালিটি উন্নয়ন সম্পৰ্কে**

শ্ৰীআমিনুল হক লস্কৰ ঃ

১৯৩। মাননীয় গৃহ নিৰ্মাণ ও নগর পরিক্রমা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) ১১৯ নং সোনাই বিধানসভার অন্তর্গত সোনাই শহর কমিটী (Sonai Town Committee) কবে থেকে সোনাই মিউনিসিপালটিতে উন্নতি হয়েছে?

(খ) সোনাই মিউনিসিপালিটিতে কতজন স্থায়ী এবং অস্থায়ী কর্মচারী আছেন?

(গ) সোনাই মিউনিসিপালিটিতে কর্মরত কর্মচারীদের নাম এবং পদ জানতে চাই।

(ঘ) রাজ্যর সব কটি মিউনিসিপালিটিতে কবে থেকে নিয়োগ প্রক্রিয়া, প্রমোশন এবং চাকরি নিয়মিতকরণ বন্ধ রাখা হয়েছে?

*বিষয় ঃ* **মূল্যবৃদ্ধি সম্পৰ্কত**

শ্ৰীআব্দুৰ ৰহিম আহমেদ ঃ

১৯৪। মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ ও উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১৬ ইং চনৰ পৰা জানুৱাৰী, ফেব্ৰুৱাৰী মাহত পেট্ৰলজাত সামগ্ৰী যেনে পেট্ৰল, ডিজেল, ঘৰুৱা ৰন্ধন গেছ আৰু বাণিজ্যিক ৰন্ধন গেছৰ বজাৰ মূল্য কিমান আছিল? এই পেট্ৰলজাত সামগ্ৰী সমূহৰ বৰ্তমান বজাৰ মূল্য কিমান?

(খ) অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী যেনে চাউল, আটা, দাইল জাত সামগ্ৰী, সৰিয়হ তেল ও অন্যান্য তেল, নিমখ আদি সামগ্ৰীৰ বজাৰ মূল্য ২০১৬ ইং চনৰ জানুৱাৰী, ফেব্ৰুৱাৰী মাহত কিমান আছিল আৰু বৰ্তমান বজাৰ মূল্য কিমান?

(গ) ২০১৬ ইং চনৰ পৰা জানুৱাৰী, ফেব্ৰুৱাৰী মাহত খাদ্য সামগ্ৰীৰ মুদ্ৰাস্ফীতি দৰ (Inflation Rate) কিমান আছিল আৰু বৰ্তমান কিমান?

*বিষয় ঃ* **ৰেচন কাৰ্ড**

শ্ৰীভূপেন ৰায় ঃ

১৯৫। মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ ও উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমান কিমানটা পৰিয়ালৰ বাবে কিমানখন ৰেচন কাৰ্ড আছে? অনুগ্ৰহ কৰি জনাবনে?

(খ) পৰিয়ালত ৰেচন কাৰ্ড দিয়াৰ নিয়ম কি? জনাবনে?

(গ) পৰিয়ালত ১ এজন বা ২ দুজন সদস্য থাকিলে ৰেচন কাৰ্ড পোৱাৰ যোগ্যতা থাকিবনে? যদি নাথাকে তেখেত সকল এই আঁচনিত কেনেকৈ উপকৃত হ'ব? অনুগ্ৰহ কৰি জনাবনে?

*বিষয় ঃ* **বহবি অঞ্চলক কৃষিভিত্তিক বাণিজ্য, সংৰক্ষণ আৰু ৰপ্তানিৰ এক আধুনিক কেন্দ্ৰ হিচাপে গঢ়ি তোলা সন্দৰ্ভত।**

শ্ৰীদীপক কুমাৰ দাস ঃ

১৯৬। মাননীয় উদ্যোগ, বাণিজ্য ও ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ঐতিহাসিকভাৱে বাণিজ্যিক কেন্দ্ৰ হিচাপে পৰিচিত বহবি অঞ্চলক কৃষিভিত্তিক বাণিজ্য, সংৰক্ষণ, বিপণন আৰু ৰপ্তানিৰ এক আধুনিক কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে চৰকাৰে কোনো বিশেষ পৰিকল্পনা গ্ৰহণ কৰিছে নেকি? যদি কৰিছে, কেনেধৰণৰ জনাব।

*Sub.* : **PT ratio etc.**

Shri SHERMAN ALI AHMED :

197. Will the Minister of School Education Department be pleased to state :

(a) Whether PT ratio is maintained for elementary schools under Mandia and Rupsi Block ? Please furnish school-wise number of students, teachers and PT ratio.

(b) How many zero-teacher and single-teacher schools are there ? Please furnish enrollment of each.

(c) Since when Barbhita HS School is run by In-charge Principal ?

(d) Why regular Principal is not appointed ?

(e) What amount of fund was released by Government to the school and internal revenue generated during the last five years ? Please furnish year-wise details including works done.

(f) Is the Government aware that there is huge misappropriation of fund in the the school ?

(g) Would the Government be pleased to cause a high-level inquiry ?

(h) Is it true that the Principal of Langla HS School was an LDA of the said school and was appointed illegally as Principal ?

(i) Is it true that his MA and B.ED degrees are fake and from dubious institution ?

*Sub.* : **Infrastrucural Development, Upgradation, New College Under Udharbond Constituency.**

Shri RAJDEEP GOALA :

198. Will the Minister of Higher Education Department be pleased to state :

Whether the Government has any plan for the infrastructural upgradation

of the DIET located in Udharbond Legislative Assembly Constituency and whether there is any proposal to develop Udharbond DIET as a Centre of Excellence for teacher education and training in the region?

*বিষয় ঃ* **বুঢ়ীদিহিঙত প্ৰতিষ্ঠা হোৱা বুঢ়ীদিহিং আদৰ্শ মহাবিদ্যালয়ৰ শিক্ষাদান আৰম্ভ কৰাৰ সম্পৰ্কে।**

শ্ৰীসুৰেণ ফুকন ঃ

১৯৯। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) তিনিচুকীয়া জিলাৰ বুঢ়ীদিহিঙত প্ৰতিস্থা হোৱা বুঢ়ীদিহিং আদৰ্শ মহাবিদ্যালয়ৰ কাম সম্পূৰ্ণ হৈ উঠিল নে জনাব।

(খ) ২০২৫ বৰ্ষৰ পৰা উক্ত মহাবিদ্যালয়ত শিক্ষাবৰ্ষ আৰম্ভ হোৱা নাই, এই ক্ষেত্ৰত বিভাগে কেতিয়াৰ পৰা শিক্ষাবৰ্ষ আৰম্ভ কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিছে জনাব।

*বিষয় ঃ* **শিক্ষকৰ খালী পদ**

শ্ৰীওৱাজেদ আলী চৌধুৰী ঃ

২০০। মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত LP, UP, ME, MV, High আৰু Higher Secondary ত মঞ্জুৰীকৃত শিক্ষকৰ পদ কিমান ? পৃথকে পৃথকে জিলা ভিত্তিত তথ্য দিব।

(খ) উক্ত মঞ্জুৰীকৃত পদ সাপেক্ষে কিমানটা পদ খালী হৈ আছে? পৃথকে পৃথকে জিলা ভিত্তিত তথ্য দাঙি ধৰিব।

(গ) খালী হৈ থকা পদ সমূহ পূৰণ কৰাৰ বাবে চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ কৰিছেনে? যদি কৰিছে তেন্তে কেতিয়ালৈকে এই পদ সমূহ পূৰণৰ আশা কৰিব পাৰি?

---

Assam Government press 140/26-LAQ-600-03-07-2026